# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 17-07-2024
**Time :** 18-45 Hrs

# *Assamese Evening Bulletin*

:::::::::::::::::::::::::::

১। দেশত বাল্য বিবাহ ৰোধৰ পদক্ষেপ সন্দৰ্ভত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুটা সংস্থাই চলোৱা জৰীপত অসমৰ শীৰ্ষস্থান লাভ।

২। অসম মিজোৰাম সীমান্তৰ কাছাৰৰ ভূৱনপাহাৰত আৰক্ষী আৰু উগ্ৰপন্থীৰ মাজত হোৱা গুলীয়াগুলীত ৩ জন উগ্ৰপন্থীৰ মৃত্যু।

৩। গুৱাহাটী মহানগৰীৰ বিৰুবাৰী আৰক্ষী চকীৰ সমীপত ট্ৰান্সফৰ্মাৰ বিস্ফোৰণ ঘটি ৪ জন লোক আহত।

৪। ৰাষ্ট্ৰীয় গুণগত মান নিশ্চিতকৰণ কাৰ্যসূচীৰ অধীনত দৰং জিলাৰ তিনিটা আয়ুষ্মান আৰোগ্য মন্দিৰৰ ৰাষ্ট্ৰীয় স্বীকৃতি লাভ। *আৰু*

৫। কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰালয়ৰ আসন্ন পেৰিছ্ অলিম্পিকৰ বাবে ভাৰতীয় চূড়ান্ত দলত অনুমোদন।

০০০০

দেশত বাল্য বিবাহ ৰোধ কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় পৰ্যায়ৰ দুটা সংস্থাই চলোৱা জৰীপ অনুসৰি অসমে বাল্য বিবাহ ৰোধৰ পদক্ষেপ লোৱাৰ ক্ষেত্ৰত শীৰ্ষস্থানৰ ৰাজ্য হিচাপে পৰিগণিত হৈছে। ইণ্ডিয়া চাইল্ড প্ৰটেকচন আৰু বাল্য বিবাহ মুক্ত ভাৰত নামৰ সংস্থা দুটাৰ সমীক্ষা অনুসৰি অসম চৰকাৰে লোৱা পদক্ষেপৰ ফলত ৮১ শতাংশ বাল্য বিবাহ ৰোধ হৈছে। দেশৰ ভিতৰতে আদৰ্শ দাঙি ধৰা অসমৰ আৰ্হি গ্ৰহণ কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে অন্য ৰাজসমূহকো আহ্বান জনাইছে। ৰাজ্য চৰকাৰে শেহতীয়াকৈ লোৱা কঠোৰ আইনী পদক্ষেপৰ বাবে বাল্য বিবাহ হ্ৰাস পোৱা বুলি সমীক্ষাত প্ৰকাশ পাইছে। সমীক্ষাৰ তথ্য অনুসৰি আজি নতুন দিল্লীত প্ৰকাশিত টুৱাৰ্ডছ্ জাষ্টিছ শীৰ্ষক প্ৰতিবেদনত অসমৰ বাল্য বিবাহৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা কঠোৰ নীতি প্ৰশংসা কৰা হয়। বাল্য বিবাহ মুক্ত ভাৰতৰ প্ৰতিষ্ঠাপক ভুৱন ৰিবু আৰু ৰাষ্ট্ৰীয় শিশু অধিকাৰ সুৰক্ষা সংস্থাৰ অধ্যক্ষ প্ৰিয়ংক কাননগোয়ে এই প্ৰতিবেদন উন্মোচন কৰি সমগ্ৰ দেশৰ ভিতৰতে অসমত ২০২১-২২ চনৰ তুলনাত ২৩-২৪ বৰ্ষত ৰাজ্যখনত ৮১ শতাংশ বাল্য বিবাহ হ্ৰাস পোৱা বুলি প্ৰকাশ কৰে। প্ৰতিবেদনৰ তথ্য অনুসৰি ৰাজ্যখনৰ গ্ৰামাঞ্চলত ২০২১-২২ বৰ্ষত বাল্য বিবাহৰ ঘটনা ৩ হেজাৰ ২২৫ টা পৰা ২০২৪ চনত ৬২৭ টালৈ হ্ৰাস পাইছে। সমগ্ৰ দেশত প্ৰতি মিনিটত তিনিখনকৈ বাল্য বিবাহ সম্পন্ন হৈছে বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে। ০০০

০০০০

অসম মিজোৰাম সীমান্তৰ কাছাৰৰ ভূৱনপাহাৰত আৰক্ষী আৰু উগ্ৰপন্থীৰ মাজত লগা গুলিয়াগুলিৰ ঘটনাত যোৱা নিশা ৩ জন উগ্ৰপন্থী সদস্যৰ মৃত্যু হয়। আৰক্ষী সূত্ৰৰ উদ্ধৃতি দি আমাৰ সংবাদদাতাই জনোৱা মতে, কালি বিয়লি কাছাৰৰ ধলাইৰ গংগানগৰত আৰক্ষীয়ে বন্দুকসহ ৩ জন উগ্ৰপন্থীক গ্ৰেপ্তাৰ কৰে। নিশা

ধৃত ৩ জন উগ্ৰপন্থীক লৈ উগ্ৰপন্থী শিবিৰ উৎখাত কৰাৰ লক্ষ্যৰে কাছাৰ আৰক্ষীৰ এটা দলে মিজোৰাম সীমান্তৰ ভূৱনপাহাৰত অভিযান চলোৱাৰ সময়তে পাহাৰত লুকাই থকা আন উগ্ৰপন্থীসকলে আৰক্ষীক লক্ষ্য কৰি গুলি চলায়। প্ৰত্যুত্তৰত আৰক্ষীয়েও গুলিচালনা কৰে। এই গুলিয়াগুলিত আৰক্ষীৰ লগত থকা উগ্ৰপন্থী ৩ জনৰ মৃত্যু হয়। মৃত লোক কেইজনৰ দুজন কাছাৰৰ আৰু এজন মণিপুৰৰ বাসিন্দা বুলি জানিব পৰা গৈছে। এই ঘটনাত ৩ জন আৰক্ষীৰ লোকো আহত হৈছে।

০০০০

গুৱাহাটী মহানগৰীৰ বিৰুবাৰী আৰক্ষী চকীৰ সমীপত ট্ৰান্সফৰ্মাৰ বিস্ফোৰণৰ ঘটনা সংঘটিত হয়। বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা অগ্নিকাণ্ডত ৪ জন লোক আহত হৈছে। বিৰুবাৰীৰ পৰা বকোলৈ উভতাৰ সময়তে এই ঘটনা সংঘটিত হয়। বাহনত উঠিবলৈ লওঁতেই ঘৰৰ চৌহদত থকা ট্ৰান্সফৰ্মাৰৰ বিস্ফোৰণ ঘটে। আহত লোককেইজনৰ গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হাস্পতালত  ভৰ্তি কৰা হয়।

০০০০

ৰাজ্যৰ বিভিন্ন অঞ্চলত বাঢ়নী পানী হ্ৰাস পাইছে যদিও এতিয়াও ১৬ খন জিলাৰ ৪৯টা ৰাজহ চক্ৰৰ এহেজাৰো অধিক গাঁৱৰ বিস্তীৰ্ণ অঞ্চল বানত বুৰ গৈ আছে। ৰাজ্যৰ ৪ লাখৰো অধিক লোক এতিয়াও বানৰ কবলত আছে। একেদৰে ১২২ টা আশ্ৰয় শিবিৰত ১৫ হাজাৰৰো অধিক লোকে এতিয়াও আশ্ৰয় লৈ আছে। কোনো কোনো অঞ্চলত পানী শুকুওৱাৰ পাছত জনসাধাৰণ নিজ বাসগৃহ অভিমুখে উভতি গৈছে যদিও বানৰ পাছত বিভিন্ন ৰোগৰ আশংকাই দেখা দিছে। স্বাস্থ্য আৰু জনস্বাস্থ্য কাৰিকৰী বিভাগে পানী বিশুদ্ধকৰণৰ বাবে ঔষধ তথা বিশুদ্ধ খোৱাপানী, অ' আৰ এছ আদি বিতৰণ কৰিছে।

ইপিনে, নেৰানেপেৰা বৰষুণৰ ফলত যোৰহাট জিলাৰ নগৰ অঞ্চলসমূহৰ লগতে কেইবাটাও অঞ্চল বানৰ কবলত পৰিছে। এই অঞ্চলসমূহৰ নলা-নৰ্দমা আৰু পথসমূহ মুকলি কৰাৰ ক্ষেত্ৰত প্ৰশাসনে অভিযান অব্যাহত ৰাখিছে।

ইপিনে, ৰাজ্যৰ বিভিন্ন জিলাত বানৰ সমান্তৰালকৈ খহনীয়াৰ সমস্যাই দেখা দিছে। দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ সদৰ  হাটশিঙিমাৰীৰ সমীপৰ মালিৰ আলগা গাওঁ পঞ্চায়তৰ অন্তৰ্গত দুখন গাঁওত ব্ৰহ্মপুত্ৰৰ খহনীয়াই সমস্যাৰ সৃষ্টি কৰিছে। খহনীয়াৰ ফলত কেইবাটাও পৰিয়ালৰ বাসগৃহ আৰু কেইবাশ বিঘা কৃষিভূমি নদীৰ বুকুত জাহ গৈছে। তদুপৰি কেইবাটাও ধৰ্মীয় প্ৰতিষ্ঠান আৰু শিক্ষানুষ্ঠানৰ লগতে জলজীৱন মিছন আঁচনিৰ পানী যোগানৰ পাইপসমূহো বানত বুৰ গৈছে। আনহাতে, খহনীয়াৰ ফলত নেৰাজেছপুৰ আৰু বৰ্মনপাৰা গাওঁ দুখন নিশ্চিহ্ন হোৱাৰ আশংকাই দেখা দিছে। স্থানীয় ৰাইজে খহনীয়াৰ স্থায়ী প্ৰতিৰোধৰ বাবে চৰকাৰৰ ওচৰত দাবী জনাইছে।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰী জে পি নাড্ডাই ভাৰতক বিশ্ব ঔষধালয় হিচাপে পৰিগণিত হবলৈ ঔষধৰ নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত গোলকীয় নেতৃত্ব বহন কৰিব পৰাকৈ বিশ্বমানৰ নীতি নিৰ্ধাৰণকাৰী পৰিকাঠামো গঢ়ি তোলাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।  তেওঁ ঔষধ কোম্পানী আৰু চিকিৎসা সজুলি উদ্যোগৰ সৈতে ধাৰাবাহিকভাৱে আলোচনা অনুষ্ঠিত কৰি চিকিৎসা সামগ্ৰীসমূহৰ সৰ্বশ্ৰেষ্ঠ মান বজাই ৰখাটো নিশ্চিত কৰাৰ ওপৰতো গুৰুত্ব দিয়ে। শ্ৰীনাড্ডাই আজি ঔষধ নিয়ামক আৰু চিকিৎসা সজুলি আৰু প্ৰসাধন সন্দৰ্ভত নীতি নিৰ্ধাৰণৰ বাবে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। তেওঁ ভাৰতে আন্তৰাষ্ট্ৰীয় ক্ষেত্ৰত ঔষধৰ

ৰপ্তানী আৰু উৎপাদনৰ ক্ষেত্ৰত নেতৃত্ব বহন কৰাৰ কথা উল্লেখ কৰি এই ক্ষেত্ৰত গোলকীয় মান বজাই ৰখাৰ বাবে পৰিকল্পনা যুগুত কৰিবলৈ সংশ্লিষ্টসকলক আহ্বান জনায়।

০০০০

চৰকাৰে সংসদৰ বাজেট অধিবেশনৰ পূৰ্বে অহা ২১ জুলাইত এখন সৰ্বদলীয় বৈঠকৰ আহ্বান কৰিছে। এই বৈঠকত চৰকাৰে সংসদৰ উভয় সদনৰ কাম-কাজ সুচাৰুৰূপে আগবঢ়াই নিয়াৰ বাবে সকলো পক্ষৰ পৰা সহযোগিতা কামনা কৰিব। উল্লেখযোগ্য যে বাজেট অধিবেশন ২২ জুলাইৰ পৰা ১২ আগষ্টলৈ অনুষ্ঠিত হ'ব আৰু ২৩ জুলাইত সদনত কেন্দ্ৰীয় বাজেট দাখিল কৰা হ'ব। এয়া হ'ব প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰৰ তৃতীয় কাৰ্যকালৰ প্ৰথমখন বাজেট। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে যোৱা মাহত সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকক সম্বোধন কৰি এইবাৰৰ বাজেট চৰকাৰৰ সুদূৰপ্ৰসাৰী নীতি আৰু ভৱিষ্যৎ পৰিকল্পনাৰ নথি হ'ব বুলি প্ৰকাশ কৰিছিল।

০০০০

মৰিগাঁও জিলাৰ জাগীৰোডত স্থাপন হ'বলগীয়া টাটা গ্ৰুপৰ চেমিকনডাক্টৰ ইউনিটৰ অহা ৩ আগষ্টত ভূমি পূজন কৰা হ'ব। জলসম্পদ মন্ত্ৰী পিযুছ হাজৰিকাই আজি এই সন্দৰ্ভত জনতা ভৱনত টাটা গ্ৰুপৰ বিষয়াসকলৰ সৈতে এখন বৈঠকত অংশগ্ৰহণ কৰে। ভূমি পূজন অনুষ্ঠানৰ কাৰ্যসূচী সন্দৰ্ভত সকলো দিশ সামৰি এই বৈঠকত আলোচনা কৰা হয়। উল্লেখযোগ্য যে প্ৰায় দুবছৰৰ ভিতৰত সম্পূৰ্ণ হ'বলগীয়া এই প্ৰকল্পত ১৫ ৰ পৰা ৩০ হাজাৰ লোকে প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে কৰ্মসংস্থাপন লাভ কৰিব।

০০০০

নিটি আয়োগৰ বিশেষ কাৰ্যসূচী **সম্পূৰ্ণতা অভিযান**ৰ অধীনত অসমৰ কেইবাখনো জিলাত কাৰ্যসূচী অব্যাহত আছে। এই অভিযানৰ অংশ হিচাপে স্বাস্থ্য খণ্ডত সজাগতা সৃষ্টিৰ বিশেষ ব্যৱস্থা কৰা হৈছে। সম্পূৰ্ণতা অভিযানৰ অধীনত অভিলাষী জিলা আৰু উন্নয়ন খণ্ডসমূহত মহিলা আৰু শিশুৰ স্বাস্থ্য আৰু পৰিপুষ্টিৰ দিশটো উন্নত কৰাৰ বাবে লক্ষ্য লোৱা হৈছে। ইয়াৰ অংশ হিচাপে মূলতঃ প্ৰথম তিনি মাহতে পঞ্জীয়নভুক্ত প্ৰসূতিৰ সংখ্যা বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। তদুপৰি সংহত শিশু বিকাশ সেৱাৰ অধীনত প্ৰসূতিৰ পৰিপূৰক খাদ্য যোগান, শিশুক মাতৃ দুগ্ধ পান কৰোৱাৰ প্ৰতি সজাগতা সৃষ্টিৰ দ্বাৰা শিশুৰ সম্পূৰ্ণ ৰোগ প্ৰতিৰোধ ক্ষমতাৰ বৃদ্ধিৰ লক্ষ্য লোৱা হৈছে। সম্প্ৰতি বান ক্ষতিগ্ৰস্ত অঞ্চলসমূহতো প্ৰসুতি আৰু শিশুৰ স্বাস্থ্য ৰক্ষাৰ বাবে এই অভিযানৰ অধীনত ব্যৱস্থা অব্যাহত ৰখা হৈছে। ইপিনে, চৰকাৰে ২০১৫ চনতে কৃষকৰ বাবে আৰম্ভ কৰা ভূমি স্বাস্থ্য কাৰ্ডৰ যোগেদি মাটিৰ নমুনা সংগ্ৰহৰ হাৰ, প্ৰতিটো খণ্ডত মধুমেহ আৰু উচ্চ ৰক্তচাপজনিত ৰোগীসকলক চিনাক্তকৰণৰ হাৰ আৰু একোটা উন্নয়ন খণ্ডত থকা আত্মসহায়ক গোটৰ বিপৰীতে পুঁজি লাভ কৰি থকা গোটৰ হাৰ বৃদ্ধিৰ পদক্ষেপ লোৱা হৈছে। একেদৰে বিদ্যুত যোগান থকা মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ হাৰ তথা পাঠ্যক্ৰম আৰম্ভ হোৱাৰ এমাহৰ ভিতৰতে পাঠ্যপুথি বিতৰণৰ হাৰ বৃদ্ধি কৰাৰো লক্ষ্য লোৱা হৈছে। তিনি মাহজোৰা সম্পূৰ্ণতা অভিযানৰ অংশ হিচাপে নিৰ্বাচিত জনপ্ৰতিনিধিৰ লগতে জিলা তথা খণ্ড বিষয়াসকলে গ্ৰাম সভা, নাটক, পুষ্টিকৰ আহাৰ মেলা, স্বাস্থ্য শিবিৰ, প্ৰদৰ্শনী, সজাগতা সভা আৰু সমদল আদি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰিছে।

০০০০

দৰং জিলা স্বাস্থ্য বিভাগে ৰাষ্ট্ৰীয় পৰ্যায়ত বিশেষ সফলতা লাভ কৰিবলৈ সমৰ্থ হৈছে। ৰাষ্ট্ৰীয় গুণগত মান নিশ্চিতকৰণ কাৰ্যসূচীৰ অধীনত জিলাখনৰ তিনিটা আয়ুষ্মান আৰোগ্য মন্দিৰে ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰিছে।

এই বিশেষ স্বীকৃতি লাভ কৰা আৰোগ্য মন্দিৰ তিনিটা হৈছে- পাথৰিঘাট খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত শালিকাঝাৰ আয়ুষ্মান আৰোগ্য মন্দিৰ, ছিপাঝাৰ খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত সানোৱা আয়ুষ্মান আৰোগ্য মন্দিৰ আৰু ব্যাসপাৰা আয়ুষ্মান আৰোগ্য মন্দিৰ। উল্লেখযোগ্য যে এই স্বীকৃতি লাভৰ বাবে স্বাস্থ্যকেন্দ্ৰ কেইটাত প্ৰয়োজনীয় অন্তিম পৰ্যায়ৰ মূল্যায়ন যোৱা মাহত সম্পন্ন হৈছিল। নেচনেল হেল্থ ছিষ্টেম ৰিচাৰ্ছ চেণ্টাৰৰ মূল্যায়নকাৰী দলে আহি স্বাস্থ্যকেন্দ্ৰ তিনিটা পৰ্যবেক্ষণ কৰিছিল। স্বাস্থ্যকেন্দ্ৰ কেইটাই আগবঢ়োৱা সেৱা আৰু গুণগত মানৰ বাবে অন্তিম পৰ্যায়ৰ মূল্যায়নত শালিকাঝাৰ আয়ুষ্মান আৰোগ্য মন্দিৰে ৯০ দশমিক ৭-৫ শতাংশ, সানোৱা আয়ুষ্মান আৰোগ্য মন্দিৰে ৯০ দশমিক ০-৪ শতাংশ আৰু ব্যাসপাৰা আয়ুষ্মান আৰোগ্য মন্দিৰে ৮৪ দশমিক ০-৪ শতাংশ নম্বৰ লাভ কৰি এই সন্মান লাভ কৰিবলৈ সমৰ্থ হৈছে।

oooo

ৰাজ্যৰ কেইবাটাও অঞ্চলত জাপানীজ এনচেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ ঘটিছে। শেহতীয়াকৈ এই ৰোগত গোলাঘাট জিলাৰ দেৰগাঁৱৰ এজন লোকৰ মৃত্যু হয়। কৰ্মসূত্ৰে নুমলীগড়ত বাস কৰা লোকজনে কিছুদিনৰ পূৰ্বৰ পৰা তীব্ৰ জ্বৰ আৰু মূৰৰ বিষত ভুগি আছিল। উল্লেখযোগ্য যে বগলী আৰু কণামুচুৰীৰ দৰে চৰাই এই ভাইৰাছৰ মুখ্য বাহক। অতিপাত জ্বৰ, মূৰৰ বিষ, অপ্ৰাসংগিক আৰু বিভ্ৰান্ত হোৱা, সংজ্ঞাহীনতা, শৰীৰৰ অস্বাভাৱিক কঁপনি আৰু শুদ্ধভাৱে কথা ক'বলৈ অসমৰ্থ হোৱা এই জাপানীজ এনচেফেলাইটিছৰ প্ৰধান লক্ষণ। তাৎক্ষণিক চিকিৎসাৰ দ্বাৰা এই ৰোগৰ পৰা জীৱন ৰক্ষা কৰিব পাৰি। এই ৰোগৰ পৰা নিজকে সুৰক্ষিত ৰাখিবলৈ স্বাস্থ্য বিভাগে কেইবাটাও পৰামৰ্শ আগবঢ়াইছে। মহৰ কামোৰৰ পৰা ৰক্ষা কৰিবলৈ সন্ধিয়া আৰু পুৱা পানী জমা হোৱা এলেকালৈ যোৱাটো পৰিহাৰ কৰিব লাগে। ইয়াৰ লগতে পাতল ৰঙৰ, দীঘল হাতৰ কাপোৰ পৰিধান কৰিব লাগে। শোৱাৰ সময়ত আঁঠুৱা ব্যৱহাৰ কৰাৰ লগতে মহৰ প্ৰতিৰোধৰ বাবে কীটনাশক ছটিয়াব লাগে। ঘৰৰ আশে-পাশে থকা নলা-নৰ্দমাসমূহ পৰিষ্কাৰ কৰি ৰখাৰ লগতে গাহৰিৰ গঁৰাল জাল বা আঁঠুৱাৰে ঢাকি ৰাখিব লাগে। বানৰ পাছত সৃষ্টি হ'ব পৰা বিভিন্ন বাহকজনিত ৰোগ প্ৰতিৰোধৰ বাবে স্বাস্থ্য বিভাগে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। মহৰ পৰা হ'বপৰা ৰোগ নিৰ্মূলকৰণৰ বাবে ৰাসায়নিক দ্ৰব্য ছটিওৱাৰ লগতে ঠায়ে ঠায়ে সজাগতামূলক সভা অনুষ্ঠিত কৰা হৈছে।

মাজুলী স্বাস্থ্য বিভাগৰ দ্বাৰা কামজান এলেঙীত আজি এটা বিশেষ স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়। কমলাবাৰী খণ্ড প্ৰাথমিক স্বাস্থকেন্দ্ৰৰ অধীনত বিষ্ণুপুৰ গাঁৱত বিভিন্ন ধৰণৰ বাহকজনিক ৰোগ প্ৰতিৰোধ কৰাৰ বাবে স্বাস্থ্য শিবিৰৰ আয়োজন কৰা হয়।

oooo

কলকাতাৰ চল্ট লেকৰ অসম ভ্ৰমণত অসম সাহিত্য সভাৰ এখন পূৰ্ণাঙ্গ শাখাৰ ঘোষণা কৰাৰ লগতে সদস্যসকলৰ মাজত আজীৱন সদস্যৰ প্ৰমাণপত্ৰ বিতৰণৰ বাবে এখন সভা অনুষ্ঠিত হয়। অনুষ্ঠানত শাখা সভাপতি জীৱন ৰয়ক সাহিত্য সভাৰ পতাকা, সংবিধান আৰু সাহিত্য সভাৰ ইতিবৃত্তৰ দুয়োটা খণ্ড অৰ্পন কৰা হয়। সভাৰ শেষত ৰেখা চলিহা বাসুয়ে কলকাতা শাখাত নিয়মীয়াভাৱে সাহিত্য চৰ্চা চলাই নিবলৈ প্ৰতি মাহত এখনকৈ বৈঠক অনুষ্ঠিত কৰাৰ পৰামৰ্শ দিয়ে।

oooo

সমগ্ৰ শিক্ষা অভিযান তথা মৰিগাঁও জিলা শিক্ষা বিভাগৰ উদ্যোগত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা সন্দৰ্ভত প্ৰশিক্ষণ আৰু কৰ্মশালা অনুষ্ঠিত হৈছে। জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ ১৫২ গৰাকী শিক্ষক-শিক্ষয়িত্ৰীয়ে এই কৰ্মশালাত

অংশগ্ৰহণ কৰে। কৰ্মশালাখনত নতুন ৰাষ্ট্ৰীয় নীতিৰ আধাৰত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতা আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত শিক্ষকসকলৰ কৰণীয় সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০

দেশৰ বিভিন্ন অঞ্চলত আজি আশুৰা-ই-মহৰম ধৰ্মীয় ৰীতি-নীতিৰে পালন কৰা হৈছে। কাৰবালাত সত্য আৰু ন্যায়ৰ হকে প্ৰাণ আহুতি দিয়া পয়গম্বৰ মহম্মদৰ নাতিয়েক হজৰত ইমাম হুছেইন আৰু তেওঁৰ সহযোগীসকলৰ স্মৃতিত এই পৰ্ব পালন কৰা হয়। এই উপলক্ষে সমগ্ৰ দেশতে তাজিয়া সমদল উলিওৱা হয়। কাৰবালাৰ শ্বহীদসকলৰ সৰ্বোচ্চ ত্যাগৰ প্ৰতি আলোকপাত কৰি ধৰ্মীয় সভা আৰু মজলিছৰো আয়োজন কৰা হয়।

ৰাজ্যৰ ভিন ভিন প্ৰান্ততো শান্তিপূৰ্ণভাৱে মহৰম উদযাপন কৰা হয়। কৰিমগঞ্জ জিলাত মহৰম উপলক্ষে বদৰপুৰ চৌমাঠাত পথচাৰীক শীতল খোৱাপানী বিতৰণ কৰা হয়।

০০০০

গোলাঘাট আৰক্ষীয়ে আজি মেৰাপানী আৰু ঘিলাধাৰী আৰক্ষীৰ সহযোগত বৰকছাৰী অঞ্চলৰ পৰা এখন সুৰাভৰ্তি ট্ৰাক জব্দ কৰে। যোৰহাটৰ পৰা মেৰাপানী হৈ নাগালেণ্ড অভিমুখে লৈ যোৱাৰ চেষ্টা চলোৱাৰ সময়তে আৰক্ষীয়ে জব্দ কৰা ট্ৰাকখনত ৪০ লাখৰো অধিক টকা মূল্যৰ সুৰা আছিল বুলি সন্দেহ কৰা হৈছে। আৰক্ষীয়ে লগতে সুৰা সৰবৰাহৰ ঘটনাত জড়িত ৭ জন লোকক আটক কৰিছে। ঘটনা সন্দৰ্ভত আৰক্ষী আৰু আৰকাৰী বিভাগে তদন্ত অব্যাহত ৰাখিছে।

০০০০

দেশৰ ৭৮ সংখ্যক স্বাধীনতা দিৱস উদ্‌যাপনৰ কাৰ্যসূচী সম্পৰ্কে আলোচনা কৰিবলৈ আজি মাজুলী জিলাৰ আয়ুক্তৰ অধ্যক্ষতাত জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। জিলাখনৰ আৰক্ষী অধীক্ষককে ধৰি সকলো বিভাগৰ মুৰববী বিষয়াসকল, নাগৰিক সমাজ তথা সাংবাদিকসকলৰ উপস্থিতিত আয়োজিত বৈঠকত স্বাধীনতা দিৱস উদ্‌যাপনৰ দিনযোৰা কাৰ্যসূচী সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত জিলাখনৰ আয়ুক্ত ড° কাবেৰী বি. শৰ্মাই বিভাগীয় মুৰববীসকলক এই দিৱস উদ্‌যাপনৰ ক্ষেত্ৰত কৰণীয়সমূহ সোঁৱৰাই দিয়ে। তেওঁ লগতে সকলোকে নিজৰ দায়িত্ব নিয়াৰিকৈ পালন কৰিবলৈ আহ্বান জনায়।

০০০০

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই নতুন দিল্লীত ৰাষ্ট্ৰীয় যুৱ বঁটা আৰু ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ অধীনত পুৰস্কৃত যুৱক-যুৱতীসকলৰ সৈতে বাৰ্তালাপত অংশ লৈ যুৱ প্ৰজন্মক ভৱিষ্যতৰ নীতি প্ৰণেতা বুলি আখ্যা দিছে। বিভিন্ন আঁচনি আৰু কাৰ্যসূচীৰ জৰিয়তে যুৱ প্ৰজন্মৰ সৱলীকৰণৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ কয়। অনুষ্ঠানত দেশখনক উন্নয়ন আৰু উদ্ভাৱনৰ দিশত যুৱ প্ৰজন্মই আগুৱাই নিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে যুৱনেতাসকলৰ কৃতিত্ব উদযাপন কৰাৰ লগতে **মাই ভাৰত** প্লেটফৰ্মৰ কৌশল সম্পৰ্কে আলোচনা কৰাৰ লক্ষ্যৰে এই অনুষ্ঠানৰ আয়োজন কৰা হয়। **এম ভাৰত** প্লেটফৰ্মত যুৱক-যুৱতীৰ উদ্ভাৱনমূলক আৰু গঠনমূলক সহযোগিতা সম্পৰ্কে আলোচনা কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণকাৰী যুৱক-যুৱতীসকলৰ পৰা মঞ্চখন অধিক আকৰ্ষণীয় আৰু তথ্য সমৃদ্ধ কৰি তোলাৰ বাবে পৰামৰ্শ দিবলৈ আহ্বান জনায়।

০০০০

ভাৰতীয় মহিলা ক্রিকেট দল এছিয়া কাপ টি-২০ প্রতিযোগিতাত অংশগ্রহণ কৰাৰ উদ্দেশ্যে শ্রীলংকাৰ কলম্বোত উপস্থিত হৈছে। এই প্রতিযোগিতা পৰহিলৈ ডাম্বুলাত আৰম্ভ হ'ব। হৰমনপ্রীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটো প্রতিযোগিতাৰ প্রথম দিনা পাকিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতক পাকিস্তান, সংযুক্ত আৰৱ আমিৰী ৰাষ্ট্ৰ ইউ এ ই আৰু নেপালৰ সৈতে প্রতিযোগিতাৰ গ্রুপ এত স্থান দিয়া হৈছে। আনহাতে, শ্রীলংকা, মালয়েছিয়া, থাইলেণ্ড আৰু বাংলাদেশক গ্রুপ **বি**ত অন্তৰ্ভুক্ত কৰা হৈছে। যোৱাবাৰৰ চেম্পিয়ন ভাৰতে এইবাৰো এছিয়া কাপৰ খিতাপ দখলৰ চেষ্টা চলাব। উল্লেখযোগ্য যে ভাৰত ২০১৮ চনৰ বাহিৰে প্রতিযোগিতাৰ আটাইকেইটা সংস্কৰণতে জয়ী হৈছে। আনহাতে ২০১৮ চনৰ ফাইনেলত ভাৰত বাংলাদেশৰ হাতত পৰাজিত হৈছিল।

০০০০

কেন্দ্রীয় ক্রীড়া মন্ত্রালয়ে আসন্ন পেৰিছ অলিম্পিকৰ বাবে ভাৰতীয় চূড়ান্ত দলটোত অনুমোদন জনাইছে। এই অনুসাৰে ভাৰতীয় দলত ১১৭ গৰাকী এথলিট আৰু ১৪০ গৰাকী বিষয়ববীয়া তথা সহযোগী ষ্টাফ অন্তৰ্ভুক্ত হৈছে। উল্লেখযোগ্য যে এইবাৰৰ অলিম্পিক গেমছ ২৬ জুলাইৰ পৰা ১১ আগষ্টলৈকে ফ্রান্সৰ পেৰিছত অনুষ্ঠিত হ'ব।

০০০০

সমাপ্ত